सत्यमेव जयते

MOFPI

# আত্মনিৰ্ভৰ ভাৰত

## প্ৰধানমন্ত্ৰীৰ দ্বাৰা ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ আঁচনিৰ আনুষ্ঠানিকৰণ (PM FME Scheme)



"১৩০ কোটি ভাৰতীয় নাগৰিকৰ সংকল্প হৈছে ভাৰতক আত্ম-নিৰ্ভৰ কৰা।এই পথৰ ভৱিষ্যত হ'ল স্থানীয়-স্থানীয় উৎপাদন, স্থানীয় বজাৰ, স্থানীয় যোগান শৃংখলা। স্থানীয়তা কেৱল মাত্ৰ এক প্ৰয়োজনেই নহয়, কিন্তু এক দায়িত্বও।"

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

## খাদ্য উদ্যোগত ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহৰ বিকাশৰ পথ মুকলি কৰি



ৰামেশ্বৰ তেলি
ৰাজ্যিক মন্ত্ৰী, খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ

## ভ'কেল ফৰ ল'কেল



খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়ে, ৰাজ্যসমূহৰ সৈতে যুটীয়াভাৱে সৰ্বভাৰতীয় পৰ্যায়ত কেন্দ্ৰীয়ভাৱে "প্ৰধানমন্ত্ৰীৰ দ্বাৰা খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ আঁচনি (PM FME Scheme)ৰ মুকলি কৰিছে যাৰ দ্বাৰা বৰ্তমানে অৱস্থিত ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগসমূহক উন্নয়নৰ বাবে অৰ্থনৈতিক, কাৰিকৰী আৰু ব্যৱসায়িক সহায় আগবঢ়োৱা হ'ব। এই আঁচনিখনৰ উদ্দেশ্যসমূহ এনেধৰণৰ ঃ

ক) জি.এস.টি., এফ.এস.এস.এ.আই. স্বচ্ছতাৰ মানদণ্ড আৰু উদ্যোগ আধাৰৰ বাবে পঞ্জীয়নৰ লগতে মূলধন বিনিয়োগৰ দ্বাৰা উন্নয়ন আৰু আনুষ্ঠানিকৰণৰ সহায়;

খ) খাদ্য সুৰক্ষা, মানদণ্ড আৰু স্বচ্ছতা আৰু গুণমানৰ উন্নতি সাধনৰ বাবে কৌশল প্ৰশিক্ষণ আৰু কাৰিকৰী জ্ঞান প্ৰদানৰ দ্বাৰা ক্ষমতা নিৰ্মাণ;

গ) ডি.পি.আৰ প্ৰস্তুত, বেংকৰ ঋণ লাভ আৰু উন্নীতকৰণৰ বাবে পূৰ্ণ সহযোগিতা;

ঘ) কৃষি উৎপাদনকাৰী সংস্থা, আত্ম-সহায়ক গোট, উৎপাদকৰ সমবায় সমিতিক মূলধন বিনিয়োগৰ বাবে সহায় কৰাৰ লগতে সমূহীয়া আন্তঃগাঁথনি আৰু ব্ৰেণ্ডিং আৰু বিপণনৰ বাবে সহযোগিতা।

## এক জিলা এক সামগ্ৰী

এই আঁচনিত এক জিলা এক সামগ্ৰী পদক্ষেপ গ্ৰহণ কৰাৰ যোগেদি নিৱেশ আহৰণৰ পৰা হোৱা লাভ সংগ্ৰহ, সাধাৰণ সেৱাসমূহ উপলব্ধ কৰা আৰু সামগ্ৰীৰ বিপণনৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যসমূহে বৰ্তমানে উপলভ্য সামগ্ৰীৰ পৰিমাণ আৰু কেঁচামালৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি উৎপাদন কৰিবলগীয়া খাদ্য সামগ্ৰীবিধ চিনাক্ত কৰিব।




ODOP সামগ্ৰীবিধ এক নষ্ট হ'ব পৰা কৃষিজাত উৎপাদন, শস্যভিত্তিক উৎপাদন বা কোনো এখন জিলা বা নিকটৱৰ্তী অঞ্চলত বিস্তৃত ৰূপত উৎপাদিত এক সামগ্ৰী হ'ব পাৰে। তেনে সামগ্ৰীৰ বিস্তৃত তালিকাত আম, আলু, লিচু, বিলাহী, চাগুদানা, কিন্নু, ভুজিয়া, পেঠা, পাপৰ, আচাৰ, গধুৰ দানাযুক্ত সামগ্ৰী, মাছ, হাঁহ-কুকুৰা, মাংসৰ লগতে পশুখাদ্য আদিও অন্তৰ্ভুক্ত। ODOPৰ প্ৰচেষ্টাৰ অধীনত উৎপাদিত সামগ্ৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। আনকি আন সামগ্ৰী উৎপাদন কৰা গোটসমূহকো সহায় কৰা হ'ব। ODOP প্ৰচেষ্টাৰ অধীনত উৎপাদিত সামগ্ৰীৰ সমূহীয়া আন্তঃগাঁথনি আৰু ব্ৰেণ্ডিং আৰু বিপণনৰ বাবেও সহযোগিতা আগবঢ়োৱা হ'ব।







## ব্যক্তিগত ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ গোটৰ উন্নয়ন

যিবোৰ ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ গোটে তেওঁলোকৰ উদ্যোগৰ বিকাশ কৰিবলৈ বিচাৰে প্ৰতিটো যোগ্য বিবেচিত প্ৰকল্পৰ বাবে ৩৫ শতাংশ মূলধন সাহায্যত সৰ্বোচ্চ ১০ লাখ টকাৰ ঋণ লাভ কৰিব পাৰিব। হিতাধিকাৰীৰ সৰ্বনিম্ন অৱদান ১০ শতাংশ হোৱাৰ লগতে বাকী ধনৰাশি বেংকৰ পৰা লাভ কৰা ঋণ হ'ব লাগিব।



## কৃষি উৎপাদক সংস্থা/আত্ম-সহায়ক গোট/সমবায় সমিতিলৈ সহায়

এই আঁচনিত ৩৫ শতাংশ ঋণ সাহায্যৰে কৃষি উৎপাদক সংস্থা/আত্ম-সহায়ক গোট/সমবায় সমিতিলৈ মূলধন বিনিয়োগৰ বাবে সহায় আগবঢ়োৱা হ'ব।



## আত্ম-সহায়ক গোটলৈ প্ৰাৰম্ভিক মূলধন

খাদ্য প্ৰক্ৰিয়াকৰণৰ সৈতে জড়িত আত্ম-সহায়ক গোটৰ প্ৰতিগৰাকী সদস্যলৈ মূলধন বিনিয়োগ আৰু ক্ষুদ্ৰ সঁজুলি ক্ৰয় কৰিবৰ বাবে ৪০,০০০ টকাকৈ প্ৰাৰম্ভিক মূলধন আগবঢ়োৱা হ'ব। এই প্ৰাৰম্ভিক মূলধনসমূহ তেনে আত্ম-সহায়ক গোট ফেডাৰেচনক আগবঢ়োৱা হ'ব যিয়ে পৰৱৰ্তী সময়ত এই অনুদান ঋণৰ ৰূপত সদস্যসকলক প্ৰদান কৰিব।



## সমূহীয়া আন্তঃগাঁথনি

সমূহীয়া আন্তঃগাঁথনিমূলক নিৰ্মাণ যেনে সামান্য প্ৰক্ৰিয়াকৰণ প্ৰবন্ধন, পৰীক্ষাগাৰ, গুদামঘৰ, শীতলঘৰ, পেকেজিং আৰু ইনকিউবেচন চেন্টাৰ আদিৰ বাবে কৃষি উৎপাদক সংস্থা, আত্ম-সহায়ক গোট, সমবায় সমিতি, ৰাজ্যিক সংস্থা আৰু বেচৰকাৰী উদ্যোক্তাসকলক ৩৫ শতাংশ মূলধন সাহায্যযুক্ত ঋণ দিয়া হ'ব।



## ব্ৰেণ্ডিং আৰু বিপণনত সহায়

এই আঁচনিৰ অধীনত ODOPৰ সমূহীয়া পেকেজিং আৰু ব্ৰেণ্ডিঙৰ সৈতে মানদণ্ড নিয়ন্ত্ৰণ, গুণমানবিশিষ্টকৰণ আৰু গ্ৰাহকক খুচুৰা মূল্যত বিক্ৰীৰ বাবে খাদ্য সুৰক্ষা নীতি মানি চলা প্ৰচেষ্টাৰ অনুসৰণ কৰি ৰাজ্যিক বা আঞ্চলিক পৰ্যায়ত কৃষি উৎপাদনকাৰী সংস্থায় আত্ম-সহায়ক গোটয় সমবায় সমিতি বা ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগৰ এচপিভিক বিপণন আৰু ব্ৰেণ্ডিংত সহায় আগবঢ়োৱা হ'ব। এই প্ৰতিষ্ঠান/ সংস্থাসমূহে প্ৰস্তুত কৰা ডিপিআৰ আৰু ৰাজ্যিক ন'ডাল এজেন্সীৰ পৰামৰ্শৰ ভিত্তিত উদ্যোগসমূহক সহায় কৰা হ'ব। বিপণন আৰু ব্ৰেণ্ডিঙৰ বাবে মুঠ ব্যয়ৰ ৫০ শতাংশ প্ৰদান কৰা হ'ব।

## আবেদনৰ প্ৰক্ৰিয়া

সাহায্যৰ আশাত থকা বৰ্তমানে বিদ্যমান খাদ্য প্ৰক্ৰিয়াকৰণ গোটসমূহে এফ.এম.ই. পৰ্টেলৰ দ্বাৰা অনলাইন আবেদন দাখিল কৰিব পাৰে। ক্ষেত্ৰ পৰ্যায়ৰ সহায়ৰ বাবে সমল ব্যক্তিসকলে ডিপিআৰ প্ৰস্তুতকৰণ, বেংকৰ ঋণ লাভ, প্ৰয়োজনীয় পঞ্জীয়ন আৰু লাইচেন্স লাভ আদিৰ লগতে এফএসএসএআই মানদণ্ডৰ খাদ্য, উদ্যোগ আধাৰ আৰু জিএসটি আদিৰ বাবে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব।

কৃষি উৎপাদনকাৰী সংস্থা/আত্ম-সহায়ক গোট/সমবায় সমিতি, সামান্য আন্তঃগাঁথনি আৰু বিপণন আৰু ব্ৰেণ্ডিংত সহায় লাভ কৰিবৰ বাবে ৰাজ্যিক ন'ডাল এজেন্সীত এখনি ডিপিআৰৰ সৈতে আবেদন পত্ৰ দাখিল কৰিব পাৰি। ৰাজ্যিক ন'ডাল এজেন্সীয়ে এই প্ৰকল্পসমূহৰ মূল্যায়ন কৰাৰ পাছত বেংকৰ ঋণৰ বাবে পৰামৰ্শ প্ৰদান কৰিব।

চৰকাৰী অনুদান হিতাধিকাৰীৰ বেংক একাউন্টত জমা হ'ব। যদি শেষৰটো কিস্তি প্ৰদান কৰাৰ তিনি বছৰৰ পিছতো হিতাধিকাৰীয়ে নিয়মিত ৰূপত ঋণ পৰিশোধ কৰি আছে আৰু উদ্যোগটো ভালদৰে পৰিচালন হৈ আছে, তেন্তে এই ধনৰাশি হিতাধিকাৰীৰ বেংক একাউন্টত সংযোজিত কৰা হ'ব।

## নিয়মাৱলী আৰু যোগাযোগ

আঁচনিখনৰ বিস্তৃত নিয়মাৱলীসমূহ মন্ত্ৰালয়ৰ ৱেবছাইট mofpi.nic.inত উপলব্ধ হ'ব। উদ্যোক্তা আৰু আন হিতাধিকাৰীসকলে তেওঁলোকৰ সংশ্লিষ্ট ৰাজ্যৰ/ কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৰাজ্যিক ন'ডাল এজেন্সীসমূহৰ সৈতে আঁচনিসমূহৰ উপলভ্যতা সম্পৰ্কে যোগাযোগ কৰিব পাৰিব।

MOFPI

**খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়**
**ভাৰত চৰকাৰ**

লগ অন কৰক mofpi.nic.in

অনুসৰণ কৰক MOFPIIndia MOFPI_GOI

स्वच्छ भारत
एक कदम स्वच्छता की ओर